**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-DEC-2025 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। পশ্চিম কাৰ্বি আংলঙৰ খেৰণিৰ পৰিস্থিতি উত্তেজনাপূৰ্ণ যদিও নিয়ন্ত্ৰণত। মুখ্যমন্ত্ৰীৰ নিৰ্দেশত জিলাখনলৈ অতিৰিক্ত নিৰাপত্তা বাহিনী প্ৰেৰণ।

২। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আজিৰে পৰা অসম গ্ৰন্থমেলা। যুৱ লেখক সন্মান লাভ কৰা ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্দ্ধনা।

৩। ৰাজ্যৰ বিভিন্ন বিভাগৰ কাৰিকৰী আৰু অ-কাৰিকৰী পদত ২১৫ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদানৰ কাৰ্যসূচী।

৪। অহা ১১ জানুৱাৰীত উত্তৰ গুৱাহাটীৰ ৰংমহলত দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ দ্বাৰা সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন। **আৰু**

৫। বিশাখাপট্টনমত অনুষ্ঠিত টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতৰ ৭ উইকেটত জয়লাভ।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি আজি পুৱাৰ ভাগত নিয়ন্ত্ৰণত আছে যদিও যিকোনো কূটাঘাতৰ আশংকাত প্ৰশাসনে নিৰাপত্তা বাহিনী সষ্টম কৰি ৰাখিছে। আজি জিলাখনৰ খেৰণিত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে অঞ্চলটোলৈ স্বাভাৱিক অৱস্থা ঘূৰাই অনা আৰু আলোচনাৰ জৰিয়তে সমস্যা সমাধান কৰিবলৈ সকলো পক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁ এই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখি আছে। এই অশান্ত পৰিস্থিতিত দুজন লোকৰ প্ৰাণহানিৰ ঘটনাত মুখ্যমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং জিলাখনত বাহৰ পাতি থাকি অহৰহ পৰিস্থিতি নিৰীক্ষণ কৰি আছে।

আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতাই জনোৱা মতে, খেৰণিৰ সমীপৰ থেলাংপিত কালি আন্দোলনকাৰী পক্ষৰ বহুলোক লোক সমবেত হয় আৰু তেওঁলোকে ডংকামোকামলৈ বুলি শোভাযাত্ৰা উলিয়াই কপিলি দলঙৰ ওচৰ পায়। আৰক্ষীয়ে সমদলকাৰীসকলক খেদি পঠিয়াবলৈ চেষ্টা চলায়। আনহাতে, কপিলি দলঙৰ আনটো পাৰত আন্দোলন বিৰোধী পক্ষৰ একাংশ লোকে অৱস্থান কৰি থাকে। আৰক্ষীয়ে এই দলটোক তাৰ পৰা আঁতৰাই পঠিয়াই যদিও আন্দোলনকাৰী পক্ষই আৰক্ষীৰ বাধা নিষেধ নেওচি বাৰে বাৰে সমবেত হয়। প্ৰতিবাদকাৰীৰ একাংশই আৰক্ষীলৈ শিলগুটি দলিয়াই আৰু লাঠী আৰু অন্য অস্ত্ৰৰে আক্ৰমণ চলায়। এই আক্ৰমণত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান অখিলেশ সিঙৰ লগতে কেইবাগৰাকী শীৰ্ষ আৰক্ষী বিষয়া আৰু আৰক্ষী জোৱান আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে লাঠীচালনা আৰু পাছত গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত চিংথি টিমুং নামৰ এজন লোক আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। তদুপৰি প্ৰতিবাদকাৰীয়ে অগ্নিসংযোগ কৰাৰ ফলত এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰত অগ্নিদগ্ধ হৈ সুৰজ দে' নামৰ যুৱক এজনৰ মৃত্যু হয়। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কালি সংবাদ মাধ্যমৰ আগত পৰিস্থিতিৰ বিষয়ে প্ৰকাশ কৰি প্ৰতিবাদকাৰীসকলক ক্ষান্ত হ'বলৈ আহ্বান জনোৱাৰ লগতে কোনো পক্ষকে এই লোকসকলক বিভ্ৰান্ত কৰাৰ চেষ্টা নকৰিবলৈ আহ্বান জনায়।

**বাইট (হৰমিত সিং)**

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা কালি আবেলিৰ পৰা অনিৰ্দিষ্টকাললৈ বন্ধ কৰিছে। চৰকাৰী সূত্ৰই দিছপুৰত প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত অৱশ্যে ভইছ টেলিফোন সেৱা আৰু ব্ৰডবেণ্ড ইণ্টাৰনেট সেৱা অব্যাহত থাকিব।

ইপিনে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও বৰ্তমান ডংকামোকামত বাহৰ পাতি আছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বিভিন্ন পক্ষৰ সৈতে আলোচনা চলাই আছে। জিলাখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত এয়া আমাৰ পশ্চিম কাৰ্বি আংলং জিলাৰ সংবাদদাতা টুটু কোঁৱৰ –

**বাইট (টুটু কোঁৱৰ)**

০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত আজিৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। ১৪ দিনীয়াকৈ হ'বলগীয়া গ্ৰন্থমেলা সন্দৰ্ভত কালি খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন সংবাদমেলত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই সবিশেষ তথ্য প্ৰকাশ কৰে। সচিবগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ৩ বজাত হ'বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকিব। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড০ ভূপেন হাজৰিকা দেৱলৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত হ'বলগীয়া অনুষ্ঠানটো সঞ্চালনা কৰিব বিশিষ্ট লেখক সুমন্ত চলিহাই। আলোচক হিচাপে বিশিষ্ট সংগীত শিল্পী কমল কটকী, ৰঞ্জন বেজবৰুৱা, লেখক-সমালোচক ড০ বিৰিঞ্চি কুমাৰ দাসে অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাৰ আজি প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ শৰ্মাই **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। ড° কাকতিক **ঐশ্বৰ্য** শীৰ্ষক উপন্যাসৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। একেদৰে বান্ধৱ প্ৰকাশনলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা আছে। লগতে অসম প্ৰকাশন পৰিষদে কেইবাগৰাকী লেখকলৈ বিভিন্ন শিতানত বঁটা আগবঢ়াইছে। বঁটাপ্ৰাপক লেখক আৰু গ্ৰন্থ সন্দৰ্ভত অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এনেদৰে কয়—

**বাইট (প্ৰমোদ কলিতা)**

০০০০০০

ৰাজ্যৰ বিভিন্ন বিভাগৰ কাৰিকৰী আৰু অ-কাৰিকৰী পদত বাছনি লাভ কৰা ২১৫ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। বিয়লি ৩ বজাত শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় সন্মিলন কেন্দ্ৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে এই নিযুক্তি পত্ৰ প্ৰদান কৰিব। চিকিৎসা, শিক্ষা আৰু গৱেষণা সঞ্চালকালয়ৰ কাৰিকৰী পদত ৮৮ গৰাকী আৰু অ-কাৰিকৰী পদত ২৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰিকৰী পদত ৫৫ গৰাকী আৰু স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ কাৰিকৰী পদত ৪৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ দিয়া হ'ব। নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে মন্ত্ৰী অশোক সিংহল, প্ৰশান্ত ফুকন, ৰূপেশ গোৱালা উপস্থিত থাকিব।

ইপিনে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনৰ তৃতীয় বৰ্গৰ বাছনিপ্ৰাপ্ত প্ৰাৰ্থীৰ নিযুক্তিপত্ৰ অহা ১০ জানুৱাৰীত বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত অহা ১১ জানুৱাৰীত সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আইন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থকাৰ কথা। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশো উপস্থিত থাকিব। উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েচনে গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে। শেহতীয়াকৈ উচ্চ ন্যায়ালয় ৰংমহললৈ স্থানান্তৰৰ চৰকাৰৰ প্ৰস্তাৱ সন্দৰ্ভত বাৰ এছ'চিয়েচনৰ সদস্য অধিবক্তাসকলৰ মাজত গণ ভোট অনুষ্ঠিত কৰিছিল। এই ব্যৱস্থা অনুসৰি উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধিতা কৰি এহেজাৰ ১৬৪ গৰাকী অধিবক্তাই ভোটদান কৰাৰ বিপৰীতে স্থানান্তৰ কৰাৰ সপক্ষে ১৫৪ জন অধিবক্তাই ভোট দিছিল। অৱশ্যে অধিবক্তাসমাজৰ এই স্থিতিৰ বিপৰীতে ৰাজ্য চৰকাৰে উত্তৰ গুৱাহাটীত ১১ জানুৱাৰীত এই প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰি দেশৰ মুখ্য ন্যায়াধীশক আমন্ত্ৰণ জনাইছে।

০০০০০০

গুৱাহাটীৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান সূৰ্যৰ উদ্যোগত আৰু বিদ্যুৎ চক্ৰৱৰ্তী ক্ৰিয়েটিভ ট্ৰাষ্টৰ সহযোগত আজি বিদ্যুৎ চক্ৰৱৰ্তী উৎকৰ্ষ বঁটা আৰু শ্বেৰ চৌধুৰী উৎকৰ্ষ বঁটা, ২০২৫ প্ৰদান কৰা হ'ব। আজি বিয়লি চাৰে পাঁচ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত তৰুণ চলচ্চিত্ৰ নিৰ্মাতা শশাংক সমীৰক বিদ্যুৎ চক্ৰৱৰ্তী উৎকৰ্ষ বঁটা প্ৰদান কৰা হ'ব। একেদৰে নৱাগত চলচ্চিত্ৰ নিৰ্মাতা শিল্পীকা বৰদলৈক শ্বেৰ  চৌধুৰী উৎকৰ্ষ বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া আৰু অভিনেতা, পৰিচালক সাত্যকী ডিকম ভূঞা উপস্থিত থাকিব। বঁটা প্ৰদানৰ পাছত শিল্পীকা বৰদলৈ পৰিচালিত তথ্যচিত্ৰ 'মাও দা স্পিৰিট ড্ৰীম্ছ অব্ চেৰাও' প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ লগতে 'দা গাৰ্ল হু ৰোড এ বাইচাইকেল' শীৰ্ষক এখন চুটি নাটো পৰিৱেশন কৰা হ'ব।

০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাৰ দ্বিতীয়খন খেলত শ্ৰীলংকাক ৭ উইকেটত পৰাজিত কৰিছে। কালি বিশাখাপট্টনমত অনুষ্ঠিত খেলখনত শ্ৰীলংকাই বান্ধি দিয়া ১২৯ ৰানৰ লক্ষ্য ভাৰতে ১১ অভাৰ আৰু ৫টা বলতেই অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ ছেফালি বাৰ্মাই ৩৪টা বলত ৬৯ ৰান কৰি অপৰাজিত হৈ ৰয়। ইয়াৰ পূৰ্বে ভাৰতৰ আমন্ত্ৰণমৰ্মে প্ৰথম বেটিং কৰিবলৈ নামি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্ৰহ কৰিছিল। হৰ্ষিতা ছামাৰাৱিক্ৰমাই সৰ্বাধিক ৩৩ ৰান কৰে। ২-০ অগ্ৰগতিৰ লাভ কৰা ভাৰতে অহা ২৬ ডিচেম্বৰত শৃংখলাৰ পৰৱৰ্তী খেলখনত অৱতীৰ্ণ হ'ব।

০০০০০০

পশ্চিম কাৰ্বি আংলঙত খিলঞ্জীয়া আৰু অখিলঞ্জীয়াৰ মাজৰ সংঘাতক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাৰ অন্যতম বাতৰিৰূপে প্ৰকাশ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে বাতৰিটোৰ 'নিয়ন্ত্ৰণহীন কাৰ্বি আংলং, ডিজিপিৰ উপস্থিতিৰ মাজতে জ্বলিয়েই আছে খেৰণি, আৰক্ষীৰ নিৰ্বিচাৰ গুলীত কাৰ্বি প্ৰতিবাদী নিহত', **অসমীয়া খবৰ** কাকতে 'অনিৰ্দিষ্ট কাললৈ ইণ্টাৰনেট কৰ্তন, ডিজিপি হৰমিত সিং, আইজিপি অখিলেশ কুমাৰসহ ৩৮ আৰক্ষী আহত, নিহত দুই-কাৰ্বি-অনাকাৰ্বিৰ সংঘাতত উত্তপ্ত পাহাৰ', **দি আছাম ট্ৰিবিউন** কাকতে '2 Killed as fresh violence erupts in West Karbi Anglong' শিৰোনাম দিছে। অন্যান্য কাকতসমূহেও ভিন ভিন শিৰোনামেৰে বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে উদ্বিগ্নতা প্ৰকাশ কৰা আৰু প্ৰশাসনৰ তৎপৰতা অব্যাহত থকাৰ দিশটোতো আলোকপাত কৰিছে।

আসন্ন বিধানসভা নিৰ্বাচনক লৈ ভাৰতীয় জনতা পাৰ্টী সাজু থকা আৰু ফেব্ৰুৱাৰীত দলীয় প্ৰাৰ্থী বাছনি কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীৰ খানাপাৰাত আজি হ'বলগীয়া গ্ৰন্থমেলাৰ আৰম্ভণি আৰু দীপক কুমাৰ বৰকাকতিলৈ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱাৰ সংযুক্ত বাতৰি এটা **দৈনিক অসম, দৈনিক জনমভূমি**কে ধৰি কেইবাখনো কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশত পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰা তথা সংখ্যালঘু হিন্দুৰ ওপৰত চলা নিপীড়ণক লৈ ভাৰতবৰ্ষৰ বিভিন্ন স্থানত প্ৰতিবাদ সাব্যস্ত হৈ থকাৰ বাতৰি এটা **দা ছেণ্টিনেল, দৈনিক অগ্ৰদূত**কে ধৰি কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত আজি প্ৰকাশ পাইছে।

ৰংমহললৈ স্থানান্তৰ কৰা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সংহত ন্যায়িক আদালত চৌহদৰ আধাৰশিলা অহা ১১ জানুৱাৰীত সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তৰ উপস্থিতিত স্থাপন কৰা হ'ব বুলি এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ ফৰকাল হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম আৰু মণিপুৰত পাতলীয়া বৰষুণৰ লগতে ডাঠ কুঁৱলীয়ে আৱৰি থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**